


# অকলে
# কবি বাঢ়ৈটোকা

ৰাজীৱ বৰুৱা

# অকলে কবি বাঢ়েটোকা

ৰাজীৱ বৰুৱা

পূৰ্বায়ণ
প্ৰকাশন

ISBN : 978-93-93881-88-5

**প্ৰথম প্ৰকাশ ঃ** ১ জুন, ২০২২

**মূল্য ঃ** ১৮০.০০ টকা

**প্ৰকাশকঃ**
**পূৰ্বায়ণ প্ৰকাশন**
যশোৱন্ত ৰোড, পাণবজাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ সমীপত
পাণবজাৰ, গুৱাহাটী-১, অসম
Email- purbayonindia21@gmail.com
website: purbayonpublication.com
✆ ৯৮৬৪৪২২১৫৭


© Rajeev Baruah, 2022

**প্ৰচ্ছদ গ্ৰাফিক্স আৰু অন্তৰ্ভাগৰ অংগসজ্জা**
কুশল দত্ত

**প্ৰচ্ছদ ফটোগ্ৰাফ**
ইণ্টাৰনেটৰপৰা সংগৃহীত

Akale Kabi Barhoitoka

A collection of Assamese poems by Rajeev Baruah and published by Purbayon Publication, Panbazar, Guwahati-781001, Assam, India.
1st Edition : 1st June, 2022 Price ₹ : 180.00




*উছৰ্গা*
*নৰকান্ত বৰুৱাৰ পুণ্যস্মৃতিত*

## আগকথা

কবিতা এটা লিখি থাকোঁতে গভীৰ মনোনিৱেশ কৰাৰ চেষ্টা কৰোঁ। শাৰী পাতি অহা স্মৃতি (অভিজ্ঞতা) আৰু গভীৰ ভাব-অনুভূতিৰ ৰসায়নত মনোজগত তন্ময় হৈ পৰে। মনে প্ৰসৱ কৰে বোধ। মনৰ এই অৱস্থাক প্ৰকাশ কৰিবলৈ বাহক কৰি লওঁ শব্দক। বোধ বা বিষয়ে নিজে বাছি লয় আংগিক। কেতিয়াবা কিছুমান শাৰী ক'ব নোৱৰাকৈয়ে আহি যায়। পাছত নিজৰে আচৰিত লাগে। মই কেনেকৈ লিখিলোঁ? লিখি থাকোঁতে এমিলি ডিকিনছনৰ এইষাৰ কথাই মোক বৰ সহায় কৰে— "Tell all the truth but tell it slant." ঠিক ঘৰ এটা সজাৰ দৰে। ঘৰটো সজাৰ পাছতহে ক'ব পাৰি কেনে হ'ল। কবিতাটো লিখি শেষ কৰোঁ— কিন্তু একো নহয়গৈ, অতৃপ্তি জাগে সদায়। সদায়ে ভাবোঁ এইটো এটা ভাল কবিতা হ'বগৈ— পাছত কিন্তু সদা-অতৃপ্তিৰ ভাবে পীড়া কৰে। এই সংকলনৰ কবিতাসমূহো সেই অতৃপ্তি যাত্ৰাৰে সমদল।

আশাকৰোঁ সহৃদয় পঢ়ুৱৈ সমাজে সংকলনটো আদৰি ল'ব।

ৰাজীৱ বৰুৱা
প্ৰত্যয় নিলয়, সাংবাদিক ক'লনী, জনকপুৰ,
কাহিলিপাৰা, গুৱাহাটী - ১৯

## কবিতা সূচী

শব্দ-মালিচ | ৭ | বাসনা ক্লাবৰ হীৰক জয়ন্তী | ৮
এদিন অকলে কবি বাঢ়ৈটোকা | ৯ | দূৰ ডিজিটেল | ১০
জেলেপী জলপানি | ১২ | হেডলাইন্‌ছ | ১৩ | চক্ৰৱৎ | ১৪
জোতাৰ মিছাইল | ১৫ | অপ্টিকেলত আবেলি | ১৬
বিলকুল প্ৰেমৰ কবিতা | ১৭ | উত্থান-পতন | ২০
হৰি নিলে মাণিক কটাৰী | ২২ | পুৰণি পাপৰ ৰেণুধৰ | ২৪
সময় আয়োগ | ২৫ | আধা লিখা কবিতা | ২৬ | হাত বাউলি | ২৭
ত্ৰিমাত্ৰিক | ২৮ | সপোন সাধনা | ২৯ | প্ৰেমৰ মামৰ | ৩০
জুই খেতি | ৩১ | বাট-অবাট | ৩২ | ৰীলে | ৩৪ | ডুখৰীয়া স্মৃতি | ৩৬
শিলাধাৰ | ৩৭ | ছোৱালীৰ জন্ম | ৩৮ | চেৰাশালিত | ৪০ | আত্মভৰ | ৪২
ধূলি ছদ্মৱেশী | ৪৩ | জোখ-মাপ | ৪৪ | আপোন ছাঁ চাই নাচোন | ৪৬
তোমাক বিচাৰি আছোঁ নিৰন্তৰ | ৪৭ | ৰসৰ তল-ওপৰ | ৪৮
অসময়ত আবেলি | ৫০ | পুথি-প্ৰাচীৰ | ৫১ | সপোন কলি সৰে যদি | ৫২
মন মেৰি সপোনপিপাসী | ৫৪ | ছায়া-বিবাদ | ৫৭ | শব্দত শৰণ | ৫৮
চিৰবসন্ত | ৬০ | গুৰু প্ৰণাম | ৬২ | দিল্লীৰ লাড়ু | ৬৩ |
কৰ'নাকালৰ কবিতা | ৬৪ | নিয়ৰ ভঙা খেল | ৬৬ | উভয়ত ভয় হৈছে | ৬৭
কবিতা-কলি | ৬৮ | মই তোৰ গালি-নিৱেশৰ জমা পুঁজি | ৭০
পিঁয়াজ এষণা | ৭২ | অলপ শৰীৰ-চৰ্চা | ৭৩ | ভজন চৰাই | ৭৪
নিষিদ্ধ অঞ্চল | ৭৫ | কাকমুখে ক'লে | ৭৬
পিঁয়াজ পাত নে আলোকপাত | ৭৭ | টাটকীয়া বাজিকৰ | ৭৮
শোক প্ৰস্তাৱ | ৮০ | মাহ ভাদ | ৮২ | পৰকীয়া | ৮৩
অপৰাজিতা | ৮৪ | জহনিযোৱা প্ৰেম | ৮৬ | ভূতৰ ভৱিষ্যৎ | ৮৭

## শব্দ-মালিচ

ভালৰো ভাল শব্দবোৰ বাছি
জিভাৰ ভৰ আখৰা সামৰি
মই আপোনাক মালিচ কৰিছোঁ
আপুনি আৰাম পাইছেনে?

সুখী নে আপোনাৰ অৱশ মাংসপেশী
আৰু লবেজান কোষবোৰ

গাঁঠি গাঁঠি বিষ, বুকুত কাঁহ-কঁহ লৈ
তুঁহ জুইত হাত সেকি মই শব্দ-মালিচ শিকিছোঁ
অচিন শিপা, অশ্ৰুতৰ গুটি বুটলি আনি
স্মৃতিশালত পেৰিছোঁ

তুমি কবি, জানা শব্দ-ব্ৰহ্ম কি
তুমি সেৱকী, মানা গুৰু-ভকতৰ হৰিধ্বনি
ঋষি শাপত অহল্যা শিল হ'ল

গান্ধীৰ দেশত শীত শেষ প্ৰায়
খাঁটি তেলেৰে মালিচ কৰা ভাৰত আৰু নাই

ভালৰো ভাল শব্দবোৰ বাছি
জিভাত সহজ কৰি মই আপোনাক মালিচ কৰিছোঁ
আপুনি অৰাম পাইছেনে?

## বাসনা ক্লাবৰ হীৰক জয়ন্তী

আজি বাসনা ক্লাবৰ হীৰক জয়ন্তী

আবেলি সমদল কৰি আহি জাতি-দোকানত মাৰিম এভুমুকি
উভতি আহোঁতে তিনিআলি মূৰৰ ঢলং-পলং লাইট
শিলগুটি এটা মাৰি ভাঙিম তোক
"পোহৰতকৈ এন্ধাৰেই ভাল"
মগজুৰ কীটে খালে কোনেও নেদেখে
ময়ো দেখা নাই মোক
অন্তঃসলিলাত কি লীলা চলে

ৰাতি মানে কেৱল আন্ধাৰ নহয়
নহয় এটা নুমুৰাই থোৱা চাকি

ৰাতি মানে পুৰণি দিনৰ আল্‌বাচি*-ৰ ছুৰী
কেতিয়াবা আমাৰ কৰঙাৰ কটাৰী
ধাৰেই নহয় গাদীৰেও মাৰে ভাল

আজি বাসনা ক্লাবৰ হীৰক জয়ন্তী
দেহ-মন ৰাঙলী পথাৰৰ খেতি
জীৱন আধিলৈ লোৱা মাটি
শস্য বিদেহ আত্মাৰ চিৰশান্তি

* আল্‌বাচি (Albacete) স্পেইনৰ এখন প্ৰদেশ, য'ত ভাল ছুৰী কটাৰী গঢ়ে। জিপচীবোৰে এই ছুৰীৰে যুঁজিছিল।



## এদিন অকলে কবি বাঢ়ৈটোকা

এদিন অকলে কবি বাঢ়ৈটোকা
বাহী ভাবে ভাঙে ৰসময় নীৰৱতা
কিমান থুকুচিব একেখিনি আৱেগ

উভৈনদীৰ পাৰৰ বাম খেতি
বজাৰত নতুন ৰঙৰ পাচলি

এদিন সংগতি-সংগ এৰি
এন্ধাৰ ফুৰিবলৈ ওলোৱা এণ্টিচেপ্টিক লৈ
শ্লেষ হেনো নিঃকিন কবিৰ শেষ আশ্ৰয়
এইবাৰ পাৰিলে সলোৱা !

বতাহত ওঁঠ-ধনুৰ টংকাৰ শুনি
হিমালয় মনে হাঁহে কেঁচুমটা বুলি

জীৱ সজা দেৱতাজন হেনো
বিষ্ণুৰ নাভি-কমলৰপৰা ওলোৱা
পুৰণি কালতে সিংহাসনৰ ৰংটো
তেজৰপৰাই লোৱা

কবি বাঢ়ৈটোকা
পাৰিলে সলোৱা জোতা-মোজা
পিছে নতুন জোতা উপাসনা ঘৰলৈ নিনিবা
তোমাৰ ভৰি চিনাৰ আগতে জোতাই
চিনি ল'ব তোমাৰ ভগৱান কোন ?

## দূৰ ডিজিটেল

তৰুণ কবিয়ে যেতিয়া বেঁকাকৈ
কয় ঃ বেলিটো ঈশ্বৰৰ লগুৰা
তেতিয়া দুই চকুৰে দুখন ছবি দেখোঁ
এখনত মহামন্ত্ৰী জগতকিৰণ আৰু
তেওঁৰ পোহনীয়া কুকুৰটো— এইচ এম ভি
আৰু আনখনত আমাৰ পানীগাঁৱৰ ৰেৱতীবাই
ডিজিটেল দিল্লীয়ে শুনক বুলি গায় ঃ
ৰাঙলীজনীৰ দৰে বিজুলীও পোহনীয়া
পকী খুঁটাৰ এৰাল ছিঙি
তাই মৰতী চৰিবলে' যায় কালবেলা

মাটিত মেলা কেঁথাখনত
চাৰিখন হাতৰপৰা সৰে চাৰি-পাত ঃ
চাহেব, বিবি, গোলাম আৰু এখন ঘাম লগা
হাতৰ হৰ্তন কাৰ্ড...



তুমি বহু প্ৰজন্মৰ প্ৰজা
দুই ভৰি, দুটি চকু, দুটা কিডনী
দুটা প্ৰত্যয় ঃ বিধি আৰু নিধি
বলে নোৱৰা শিল বিধিৰ গুদামলৈ ঠেলা
সংসাৰ চকৰিৰ উঠা-নমাত
তোমাৰ হৈ কথা ক'বলৈ
নিধিৰ আগত জোৰা দিয়া 'প্ৰতি'
তেৰাই জানে পাউণ্ডলৈ যায় কেনি

কোলাৰ বা বোকাৰ মই একোৰে নহয়
জানো মোৰ চানমাৰি ক'ত
নহওঁ কালাতীত
সময় হ'লে সামৰো পাঠ

অহা পাঠত আমি বান্দৰৰ কথা পাতিম

## জেলেপী জলপানি

গোসাঁই দোকানৰ মুখত আধা ব্ৰহ্মাণ্ড
আধা খোলা দোকানৰ জাপ
আধা উতলা তেলত
মাখন ময়দাৰ টেঙেচীয়া ঘোল

অকোৰা-পকোৰা শৰীৰী খেলা
সাপে বান্ধে নেউল
নেউলে সাপক
পিন্ধা আৰু খোলা
আজি পিন্ধা কালি খোলা
কালি পিন্ধা আজি খোলা
পিন্ধা
খোলা
পিন্ধা
খোলা
পিন্ধাই পিন্ধে, খোলাই খোলে
অস্থি-চৰ্মৰ মাজত প্ৰাণ

কাউৰী পাখিৰ বতাহ লাগি
জুই মেলাহিৰ তলত সুমাব
চেনিৰ চিৰাপে বন্ধা
জীৱন জেলেপীৰ পাক
কোনে কিমান খুলিবা?



## হেডলাইন্‌ছ

চকীৰ হাতলত থ'লেও
জুইশলা বাকচৰ কোনো খেদ নাই
সি জানে, সি এটা জুই বাহ
দহনত তাৰ গহন বিশ্বাস
হেডলাইন নহয় ভগৱান

মনৰ চকুৰ বেদখলবোৰ যদি খালী হয়
পৃথিৱীত ঠাইৰ অভাৱ নাই
সলোৱা-সলনিত চলে কৃত্ৰিম নাটনি
ঠাই নাই বুলি ভবা মানুহজন নিজৰে কয়দী

আপুনি নিৰন্তৰ বহিলেও অৱলীলা ধৰি
সোণ-ৰূপৰ চকীৰো নগজে শিপা

দেখিও নেদেখা বেঁকা চকুত
সত্য পলাই ফুৰে সত্যৱানক এৰি
পলৰীয়া সত্যক জাবৰত হ'লেও পায় বিচাৰি

মোৰ তেজ-মঙহত জীয়া গছজোপাই
যেতিয়া ফল-ফুল নিদিয়া হয়
মই জুইশলা বাহটোলৈ চাওঁ
সি মোৰ নিঃসংগ চকীখনৰ অভিভাৱক
বোঁৱতী বতাহৰ গা-ঘঁহনিত
জ্বলি উঠিব তাৰ শুকান কাঠী

## চক্ৰৱৎ

পানীৰ লগত তেওঁ চকা এটাও গিলে
দিনটো চকাৰ পিঠিত উঠি ঘূৰে
চকা পাতত বহিলেহে ভাগৰি-জুগৰি আহে উভতি
চকাটোৰ গতিপথ যিমান দূৰলৈকে দেখি
সিমানলৈকে দেখাসকলে জানে তেওঁ সভ্য

নীল আকাশত সুগঢ়ী চন্দ্ৰমুখী
যাৰ প্ৰেমত তেওঁ বেগতিক মাতাল
চেঁকুৰি ফুৰে হৰপ্পা-ইজিপ্ত-ইন্‌কা
শিলৰ চকা
লোহাৰ চকা
ৰথৰ চকা
গৰুগাড়ীৰ ধুৰা
ৰে'লৰ চকা গাড়ী-মটৰৰ ৰিম টায়াৰত
লণ্ডন-আইত ঘূৰে বহেমিয়ান

ইতিহাসো চকা
মুদ্ৰাৰ দৰে ঘূৰণীয়া (চকা ঘূৰিলেহে হেনো টকা)
আধা খোৱাৰ আগতে আপেলটো আছিল ঘূৰণীয়া
এটা আধা খোৱা আপেলৰ নাম ষ্টিফ্ জব্‌ছ্

দিনটো তেওঁ চকাৰ পিঠিত ফুৰে
সুদৰ্শনে ঢাকে বেলি
বুমেৰাং হৈ নিজলৈকে আহে ঘূৰি।



## জোতাৰ মিছাইল

এপাট জোতা দলিয়ালে
সিপাটৰ নিশ্চয় অপচয় হয়

জোতাই নকৰে কাৰো চিকাৰ
মাটিৰ বস্তু ওপৰত উৰিলে
দৰ্শকে আমোদ পায়

ভাৰতৰ আকাশত এশ-এবুৰি ছেটেলাইট
মাজে মাজে জোতাও উৰে
বাঁওপাট নে সোঁপাট
এই প্ৰশ্ন অবান্তৰ

এপাট জোতা উৰি ফুৰা মানে
কাৰোবাৰ এটা ভৰি খালী
হাৰাতে উৰি ফুৰা বিজুতি
দেশ-দশাৰ এটা উৰণীয়া অথন্তৰ...

## অপ্টিকেলত আবেলি

(ডাঃ অপূৰ্ব কুমাৰ শইকীয়াৰ হাতত)

আপুনি ক'লে— বহক
মোৰ চকুলৈ চাওক
আমি চকুৰে চকুৰে চালোঁ
তেওঁ মোক বৰ্তমানতকৈ বেছিকৈ দেখুৱাব
মই কিমান চাব খোজোঁ সুধিছে বাৰে বাৰে—
মই যিমানলৈকে দেখা পাম
তাতকৈ বেছিকৈ চাব খোজোঁ
তেওঁ যিমান দেখুৱাব সিমানহে দেখা পাম
নিজৰ সীমা জানিবলে' ইয়াতকৈ ভাল ঠাই নাই
নিজৰ সম্ভাৱনাক জনাৰ বাবে ইয়াতকৈ ভাল ঠাই নাই
একেই অংক, একেবোৰেই বৰ্ণমালা
১ ২ ৩ ৪ ক খ গ ঘ ঙ এ বি চি ডি

মই জানো
আৰু এটা চকুৰে বৰ্তমানতকৈ মই বেছিকৈ দেখোঁ
আপুনি সেই চকুটো দেখা পায়নে
মইহে পৰীক্ষা কৰিলোঁ আপোনাৰ চকু



## বিলকুল প্ৰেমৰ কবিতা

এতিয়া প্ৰতিক্ষণেই শুনো
পৰুৱাই চেনিৰ দানা ভঙাৰ শব্দ

ৰাতিটোৰ ভিতৰত সোমাই
শান্তিৰে টোপনি যাব পৰা নাই
বুকুত ভাৰ্জিনিয়া উল্‌ফ
ৰাতি বাঘৰ সপোন দেখোঁতেও শুনো
দানা ভঙাৰ শব্দ—
উভয় লিংগ

প্ৰাতঃভ্ৰমণলৈ যাওঁতে এডৰা কোমল ঘাঁহনি
যি মোক সিঁয়াৰে সদায়
আজি তাৰ শব্দ কিয় নুশুনো

দানা ভঙাৰ শব্দ নিৰৱধি শুনি
নাই দাঁড়ি, কমা, যতি
আজি-কালি মই বেলি ওলোৱাৰ শব্দও নাপাওঁ শুনা
নহয় গৰ্জন (আগতে শুনা) কাযেৰে পাৰ হৈ যোৱা
তিনিখন ভয়ংকৰ ডাম্পাৰ

পুৰা চাহকাপত চলমান নেমু টেঙাৰ চকাৰ
প্ৰিয় শব্দটিও কালিৰেপৰা হৈছোঁ নুশুনা

পৃথিৱীৰ সকলো শব্দ ধ্বনি আৱাজ
আত্মসাৎ কৰি এই দানা ভঙাৰ শব্দই
যদিও কাঢ়ি নিব নোৱাৰে
ফাগুনে লঠঙা কৰা গছৰ ডালত খুঁটিয়াই থকা
বসন্তৰ আৱাহনী

হিয়া ধুনি উৰি ফুৰা শিমলু তুলাৰ শ্বন শুনাৰ বাবে
লাগে এতিয়া নতুন প্ৰস্তুতি

খেজুৰৰ চিৰিলি পাতে কেঁচা তোৰণ সাজি
পুৱাতে পানী তুলিবলৈ যোৱা কইনাঘৰীয়াৰ
জাঁত জাঁত বিয়ানামৰ উম
আজি শুনি কি নুশুনি
আৰু নুশুনি কালাপাহাৰে নেৰুডাৰ
শুৱনি কোঠাৰ কাচ ভঙাৰ ঝন্‌ঝননি

তুমিতো ইংৰাজী সাহিত্যৰ ছাত্ৰ
ডেছডিমনাৰ জন্ম ক'ত?
প্ৰশ্নতে এৰি দি প্ৰশ্নৱান— কওঁ
গুণ্ডুলা নে ডেছডিমনা?
ওঁঠতে উত্তৰ অনুমান পঢ়ি ভাবোঁ
আজিলৈ মান ৰ'ল কোনোমতে!



দানা ভঙাৰ আৱাজে মোক ভিক্ষাৰী কৰিলে
ভিক্ষা-পাত্ৰ লৈ থিয় হওঁ সময়ৰ কাষত
শব্দ যেন সদায় থাকে মোৰ লগত
এই শব্দই ভাৰ্জিল আৰু ডাণ্টেক দেখুৱাই দিছিল পাৰ্গাতৰি
দানা ভঙাৰ শব্দ এদিন উৰিব আকাশত
আকাশলৈ উঠাৰ পিছত কোনো কাৰো
হে নাথাকে, যিদৰে চৰাই, শুকুলা মেঘ, খেজুৰি জোন
কোনেও নকৰে দাবী
আকাশখন তেওঁলোকৰ বুলি...

## উত্থান-পতন

পিতৃভূমি কেঁচা মজিয়াখন
জল্‌মল্ কৰা যদি মোৰ পৰম্পদ সিদ্ধি
মাজ বয়সত তাতে পিছলি পৰা দেখিলে
ক'বা নেকি মোৰ দুর্ঘোৰ অৱনতি?

মজিয়া আপুনি পিছল নহয়
পুৰণি পাহৰি আমি নিজেই পিছল কৰি লওঁ
নিজে মৰা মতা গাঁঠি
নিজেই খুলিব লাগে

ওখ শিল বাগৰি পানী পিছলিলে কওঁ—
চোৱা, সৌৱা জলপ্ৰপাত
পাহাৰ বগাই পকা চপৰাত উজুটি খাই
আমিতো চাবলৈ নাযাওঁ পানীৰ অধঃপতন



শিলৰ সমান বয়সৰ
কেঁচা মজিয়াখনেই আমাৰ সমতল
"পকিলেই সৰা আৰু সৰিবৰ বাবে পকা"
জীৱন এইষাৰ কথাৰে তৰ্জমা
ভিন্ন ভাষাত, দোৱান, বুলি-বচনত
কেতিয়াবা নিভাঁজ প্ৰায়ে অভঁজা

আঙুৰলতাত ওলমি লমা-লমে লাগিছিল
ৰোমান পতনৰ মিঠা গুটি
দেখাজন ৰোমান নহয় গীবন

ভাগ্যবল, পিতা তুমি মই পিছলা নেদেখিলা

## হৰি নিলে মাণিক কটাৰী
(দীপক মহন্তক সুঁৱৰি)

শিলেৰে নহয়
বালিক শিল বুলি লৈ গঢ়িছিলোঁ
তোমাৰ ঘৰ

ভাল সপোন এটা দেখি থাকোঁতে
হঠাৎ সাৰ পাই গ'লে যি দুখ ওপজে
তাকো লাগে তোমাক সমানে এভাগ

কোনে হৰি নিলে কোৰা দহোকুৰি
আমাৰ মাণিক কটাৰী*

পুৰাৰ বাতৰি-কাকতখন মেলি লৈ বহি থাকা
যেন এটি চৰায়ে ডেউকা মেলিছে
এই উৰিব মুহূৰ্ততে...
কাষত চাহৰ কাপটো লৈ
তোমাৰ সাদৰী পত্নী ঃ
ময়ো বনে যাওঁ স্বামী



জীয়াই নথকা বস্তুটোৰ
নাম হেনো পাহৰণি

পৃথিৱীৰ প্ৰথমজন অমৰ মানুহ হ'বলৈ কিবা আখজা লাগিব
সেয়ে ভাল মৃতকবোৰ জীয়াই ৰাখিবলৈ
অমৰত্বৰ আশা এৰি মই ভালে আছোঁ
কুশলে আছোঁ— মৃদুলৰ দৰে

সম্পৰ্ক, তোমাৰ স'তে
দূৰে দূৰে থাকি, ভালে থকাই ভাল

* মাণিক কটাৰী ঃ আমাৰ সাধুকথাৰ যাদুকৰী কটাৰীখন

## পুৰণি পাপৰ ৰেণুধৰ

বটলৰ গাত কাটি থোৱা ৰঙা দাগ
তালৈকে পিব পাৰি পাপ
তালৈকে সকলো মানুহ মুক্ত ঘাতক
কম-বেছি
পুৰণি পাপৰ ৰেণুধৰ

নীল আকাশত জোনে যিমান সলায় মোট
সিমানলৈকে নাঙঠ হ'ব পাৰি
তাতে ভাল-বেয়াৰ বিপদসীমা

নঘটা ঘটনাই ঘাতক বিচাৰি ফুৰে
বিপদ-সীমাৰ চিন ৰাতিতে হেৰায়
এজোপা গছৰ একেটা ডালতে দুটা চৰাই
এটাই গছৰ ফল খায়, আনটোৱে গায় গান

শিষ্যগণ মৌনতা মৌনতা
মহাগুৰুৱে দিব বাণী
গুৰুৱে মুখ মেলোঁতেই গান গোৱা চৰাইটোৱে মাতিলে
মেলা মুখ জপাই গুৰুৱে ক'লে ঃ
বাণী দিয়া হৈ গ'ল—

তুমি-মই সেই চৰাইটো বিচাৰি ফুৰোঁ
যিদৰে নঘটা ঘটনাই ঘাতক বিচাৰি ফুৰে



## সময় আয়োগ

এই কথা সময়েহে ক'ব—
এইদৰে আমি বহু কথাই সময়লৈ থওঁ
কওঁতাই পাহৰিলেও সময়ে নাপাহৰে
সময় হ'লেই কয় শেষ কথা
কাৰো মুখলৈ নাচায় ঃ শূন্য সহনশীলতা

সময় এজনীয়া আয়োগ
নিপিছুৱায় তাৰিখ নবঢ়ায় কাৰ্য্যকাল
নুশুনে প্ৰতিবাদ ধৰ্মঘট ধৰ্ণা অনশন

এই আয়োগ ক'ত বহে
খাটাং খবৰ কোনেও নাজানে
পিছে কৰিব পাৰি এটা অনুমান—
সময় আয়োগ বহে বালিত
নহ'লেনো মৰণশীল মানুহে
সময় বালিত খোজৰ চিন থোৱাৰ বাসনা
পোহন দিয়ে কিয় যুগে যুগে

লুইতৰ বালি বগী ধকেধকীত
এতিয়া এখন মিনা বজাৰ বহিছে
তাতে আমাৰ থলগিৰি সময়
ৰঙা-নীলা চকৰিত ঘূৰিছে
নে আমাক ঘূৰাই আছে
আমি ক'ত কাৰ মাটিত
এই কথা সময়েহে ক'ব

## আধা লিখা কবিতা

মোৰ আধা লিখা কবিতাটোত এখন পূৰ্ণাংগ নদী
হ্ৰেক পুৰাকথাৰ সাক্ষী
কি সবেগ আছিল তাইৰ সাগৰমুখী গতি
পাৰে পাৰে তাই জগাই থৈ গৈছিল বিতোপন সপোনপুৰী
তিয়াই থৈ গৈছিল উদাৰচিতে শুকান মুখ-চকু-ওঁঠ,
ডিঙিৰ দীঘল পিয়াহ... যাকে য'তে পালে গতিপথে
দুই পাৰৰ ভৰসাত গঢ়ি উঠিল কত দলং আৰু তামীঘৰা

নদীখন সাগৰত পৰাৰ পিছৰেপৰা
মোৰ কবিতা আৰু আগলৈ নোযোৱা হ'ল
সাগৰৰ স'তে মিলনেই তাৰ শেষ বুলিও
কবি মনে মানি ল'ব পৰা নাই

ঠিক, কবিতাটো আজিও শেষ হোৱা নাই
মোৰ অসংখ্য আধা লিখা কবিতাৰ দৰে
তাক ফালি-ছিৰিও পেলাব পৰা নাই
এখন সফল নদীক কি স'তে মোহাৰি পেলাওঁ
আজি-কালি কিমান নদীয়েনো সাগৰ দেখে

ল'ৰালিতে গৰখীয়া সবাহ খাই পোৱা আধলিটোৰ দৰে...
আধা লিখা হ'লেও কবিতাটো থৈছোঁ সাঁচি
নদীখনৰ জীয়া স্মৃতিত...
হেৰায়ো থাকি যোৱা নাই জানো কলং
দেৱকান্তৰ কবিতাত...



## হাত বাউলি

অলপ আগতে বেলিলৈ চাইছিলোঁ
এতিয়া তোমাকে নেদেখা হ'লোঁ
ভিৰৰ মাজত আৰু কিমান যে ভিৰ

তোমাক দেখা বা নেদেখাতকৈ
দেখিম বুলি অধীৰ এই সময়খিনিয়েই— সুখ
দেখাৰ পাছত মই নিৰলে ভাঙি পেলোৱা
মূৰ্তিবোৰৰ মাজত তুমি নাই...

সিদিনা দুপৰীয়া এজাক গৰম বতাহত
অস্থিৰ মোৰ চেতনা পুৰুষে
তোমাৰ শীতল হাতলৈ চাই প্ৰাণ বচায়

এইবাৰ আহিলে থৈ যাবা তোমাৰ হাতৰ পতাকা
নহ'লে আটকৰ দিনৰ বাবে দুই-এটা হাতবাউলি
অচিনা ভিৰত প্ৰিয়জনৰ হাতৰ সংকেত
নিঃসংগ নাৱিকৰ লাইট হাউছ

মোৰ কেন্দ্ৰত তোমাৰ উত্তোলিত পতাকা
গোপীৰ মন-গহনত কৃষ্ণ
কৃষ্ণৰ মূৰত এপাহি বকুল
নিয়ৰ পাই মুকলি হ'ল

সাপ-নেউলৰ যুঁজত তুমি মোৰ নেউল প্ৰাণৰ
বিষহৰি বনৰীয়া ঘাঁহ

## ত্ৰিমাত্ৰিক

১
শব্দবোৰ আঙুলিৰ আগলৈকে ওলাই আহে যদিও
শাৰী নাপাতে। বাক্য হ'ব নোখোজে। বাক্য মানে বন্ধন...
শব্দই দেখিছে কলমেৰে বৈ থকা চিয়াঁহীৰ বন্দী দশা
শব্দ কাৰো অধীন নহয়। লেখকে ভালেই পালে।
শব্দেৰে বাক্য সাজিব নালাগে। দাড়ি নাই, বন্ধনী নাই
শেষত লঘু যতিৰে চলি যায়। কি পঢ়ি আছা হেমলেট?
শব্দ, শব্দ, শব্দ, শব্দ...

২
ইয়াৰপৰা দুটা বাট ঃ হামি আৰু হাঁচি
কোনটো বাটেৰে গ'লে তোমাক পাম
হাঁচিৰ পিছতে ক্ষণিক তৃপ্তি
হামিৰ পিছতে আহিব লগা দীঘল টোপনি
ক'ত পাম তোমাক
ক্ষণিকত
টোপনিত
হামিত নে হাঁচিত?

৩
নাৰিকলৰ ভিতৰত
এখন নদী, এটা পৰ্বত, এখন সাগৰ
এখন প্ৰদেশ, তোমাৰ দক্ষিণ দিশৰ...



## সপোন সাধনা

সপোন নেদেখা মানুহ জানো জীয়াই থাকে
ঘৰখনত এখন আৰ্চিয়েই ভাল
বহুত আৰ্চি থকা ঘৰত হেনো
কাচিৎ সপোনৰ স'তে হয় দেখাদেখি

সপোন নহয় ওফৰা জেং
সাধনাৰ বাটত গজে তাৰ শিপা
মনলৈ আহে কেতিয়াবা দুপৰীয়া
লুই বৰ্হেছৰ আৰ্চি ভীতিৰ কথা
মেহগনিৰ টেবুলৰ মসৃণ সমতলতো
নিজৰ দৰে আন এজনক দেখি

সপোন নেদেখা মানুহ জানো জীয়াই থাকে
সপোন ভালপোৱা আৰ্চিলৈ ভয় কৰা
হে, কবি নিৰ্জনতা
বৰ্হেছৰ দৰে জীয়াই থাকা
অন্ধ চকুত বাঘৰ সপোন দেখি

## প্ৰেমৰ মামৰ

ঘৰৰ চুক এটাত সাঁচি থওঁ
বাটে-হাটে পৰি থকা গজালবোৰ
কেতিয়াবা লাগিব পাৰে

তলসৰা ফুল বুটলিছিলোঁ ল'ৰালি
তাৰে এবিধ বকুল, যাৰ সুগন্ধি আজিও পাওঁ
পুৰণি গজালত যেতিয়া মামৰে ধৰে
ঘৰখন চিকুণকৈ ৰখা পত্নীয়ে সোপাকে পেলাই দি কয়
মামৰে ধৰা গজালে ফুটিলে ছেপটিক হ'ব পাৰে

ফুল আৰু গজাল একে নহয়
বোটলা মানুহজনহে একে
যাৰ হাতত আজিও
পাহৰণিয়ে গুচাব নোৱৰা প্ৰেমৰ মামৰ...



## জুই খেতি

নিজকে নেওচা দিবলৈ
নেতি-নাপদে লগ বিচাৰি ফুৰে
শূইনে লয় শূইনৰ লগ— সিদ্ধ হ'বলৈ

যিদৰে আমি নাচাই নোৱাৰি, চাওঁ
নগৈ নোৱাৰি, যাওঁ
নকৈ নোৱাৰি, কওঁ

মাঘৰ মেজি-খৰিৰ দৰে
নেতিৰ ওপৰত জাপি থাকোঁ নেতি
ওলাই আহক ধনী ধনাত্মক হৈ
সকলো বিয়োগৰ অন্ত পেলাই
কৰোঁ একুৰা জুইৰ খেতি

## বাট-অবাট

১
সন্ধিয়া সাধু কওঁতে আইতাই
পোন বাট এটাৰ কথা কোৱা মনত আছে
শেষত এষাৰ নীতি বচনেৰে তেওঁ
সাধুটো সামৰি থৈছিল

মৰণা মাৰোঁতে পিতায়ে সদায়
গৰুহালক মোখোৰা পিন্ধাই লয়
গৰুহালৰ মোখোৰা দেখি কিয় জানো মোৰ
আইতাৰ সাধুৰ মোখনিলৈ মনত পৰে

২
সৰু ল'ৰাক মাকে টিউশ্যনলৈ নিছে
চমু বাটেৰে
তাৰ চকুত এতিয়াও টোপনিৰ জাল
ছেঃ আজিও সি নেদেখিলে ৰাতিপুৱা
সিফালে মই
এটা দীঘল দিনৰ বোকোচাত উঠিবলৈ
ৰাতিপুৱাৰ খোজকেইটা কাঢ়িছোঁ
একেই চমু বাটেৰে...



৩
ৰ'ব নোৱাৰি মই আকৌ তোমাৰ ফালে
গৈছোঁ
তুমি ঘন ক'লা চুলিৰ সেওঁতা ফালি
সেন্দূৰ পিন্ধিলা
বাটৰ ৰঙা লাইট জ্বলি উঠিল
হঠাৎ থমকি ৰ'ল বাটৰ সমস্ত ট্ৰেফিক
মই ৰৈ গ'লোঁনে তাত
নিজে যে নেদেখোঁ নিজক

## ৰীলে

প্ৰায় দৌৰি আহিল অচিনাকি মানুহ এজন
হাতত তুমি দোকানত এৰি থৈ অহা চশ্‌মাযোৰ

সেন্দূৰী আমৰ ডাল এটা
তোমাৰ দেৱাল বগাই পাৰ হৈ আহিছে
বগাবলৈ দিবানে তোমাৰ চৌহদ

চশ্‌মাযোৰ তোমাৰ হ'লেও
নিজৰ চকুত পিন্ধিলেও নিজকে নেদেখি
— এই ভাবি তুমি ভাঙিলা ক'ত যে
হাত মেলি অহা সেন্দূৰী আমৰ ঠাল-ঠেঙুলি

এইবাৰো আম পকী সৰিছে
দেৱালৰ সিপাৰৰপৰা এখন মুকলি হাতে
তোমালৈ আগ বঢ়াই দিছে তাৰে দুটা
তুমি চশ্‌মাযোৰ পিন্ধি চাইছা...
কি সুন্দৰবুলীয়া সেন্দূৰীয়া



সিদিনা চশ্‌মাযোৰ দিবলৈ অহা মানুহজনক
আজি আকৌ লগ পাইছা... একাপ চাহ যাচিছা...
চাহত চেনি খায় নে...
আপুনি... তুমি... তই...

তেওঁ দিয়া সেন্দূৰী আমৰ পুলি এটা
তুমিও ৰুলা তোমাৰ বহনা বাৰীত
তাৰে এটি ঠাল ওখ দেৱাল বগাই
আজি সিপাৰলৈ গ'ল...

## ডুখৰীয়া স্মৃতি

চিত্ৰকৰ দিবাকৰে সদায় একেখন ছবিকে আঁকে
প্ৰতিবাৰেই অসম্পূৰ্ণ দা ভিন্সি
অনাদি-অনন্ত সময়। নাই একো ধৰফৰ
আমাৰ বাবেহে মচিব নোৱৰা ডে'ডলাইন

এখন ছবিতে সোমাই থাকে অগণিত ছবি
ৰঙৰ ভিতৰত অলেখ ৰং-বিৰং
ব্যাখ্যা-বিচাৰ-অৰ্থ-বিস্ময়

পৰিপূৰ্ণ জীৱনেও থৈ যাব নোৱাৰে
এখনো অখণ্ড ছবি
সকলো মাথোঁ ডুখৰীয়া স্মৃতি
এইবাবেই নেকি অসম্পূৰ্ণ দা ভিন্সি?



## শিলাধাৰ

কালি বাটত যিটো শিলত খুন্দা খাই
মোৰ আগদাঁত দুটা ভাগিছিল
আজি তাতে সেৰা এটি কৰি
মোৰ ছোৱালীজনী পৰীক্ষা দিবলৈ গ'ল
তাইৰ আগে আগে যোৱা সকলো শিলৰ পূজাৰী
তেওঁলোকৰো বিশ্বাসে মিলয় হৰি

শিলটোৱে তাইৰ বিশ্বাসক দিছে এটা আধাৰ
গভীৰ বিশ্বাসক শিলাধাৰ
ফটিকৰ দৰে স্বচ্ছ হোৱা হ'লে শিলটো
দেখা হ'লে তাৰ ইপাৰ-সিপাৰ
খহি পৰিলেহেঁতেন নেকি তাইৰ বিশ্বাসৰ সাঁকো

শিলটোত লাগি আছে মোৰ তেজৰ চেঁকুৰা
ঠিক তাতে মূৰ ঠেকি তাই ওলাই গ'ল
জটিল প্ৰশ্নৰ ফট্‌ফটীয়া উত্তৰ লিখিবলৈ

তাইলৈ চাই থাকোঁতে
চকুৰ দুটোপাল পানী আহিল যেতিয়া নিগৰি
শৰীৰৰ আটাইতকৈ শুকান ঠাইখনে
শুহি ল'লৈ ততালিকে...

# ছোৱালীৰ জন্ম

মোৰ ছোৱালীজনীৰ জন্মৰ দিনা
পৃথিৱীত কোনো মানুহ মৰা নাছিল
সৰি পৰা পকা পাতবোৰেও সিদিনা
গছৰ ডাললৈ উভতি গৈ বতাহৰ স'তে নাচিছিল

সাগৰ তীৰত পিন্ধিবলৈ থোৱা ৰঙীন চোলাটো পিন্ধি
মুখৰ বলিৰেখাবোৰ তিনি ভাঁজ কৰি
বেক্ পকেটত ভৰাই মই ঘূৰি ফুৰিছিলোঁ
সোণ-ৰূপৰ কাঁহী-বাটিৰ বজাৰখনত

তাইক মুখত ভাত দিয়াৰ দিনা
পৃথিৱীত কোনো ক্ষুধাতুৰ নাছিল
কোনেও কাকো আঘাত কৰা নাছিল
ছিঙা নাছিল কোনেও ক'তো এপাহো ফুল
কোনেও ভোকক চুটি কাপোৰ পিন্ধাই
বাটত বা ৰেম্পত খোজ কাঢ়িবলৈ এৰি দিয়া নাছিল



মোৰ ছোৱালীজনীৰ প্ৰথম খোজ কঢ়াৰ দিনা
কন্যা শিশুৰ বাবে ক'তো আয়োজন হোৱা নাছিল সামূহিক দৌৰ
মানুহে আগৰেপৰাই মানুহৰ বাবে দৌৰিছিল
দৌৰি ফুৰা মানুহক আকৌ কিয় দৌৰিবলৈ ক'ব লাগে

তাইৰ প্ৰথম মাত ফুটাৰ দিনা
ঘৰে ঘৰে জগিছিল জেঠী পোৱালিবোৰ
কণীৰ ভিতৰত আছিল তাইৰ মাত-কথাৰ আকাশ
তাইৰ কথাবোৰ সকলোৱে শুনিছিল আৰু ধাৰলৈ নিছিল
কাৰণ তাইৰ ভাষাৰ ব্যাকৰণ আছিল—
সপোন আৰু সপোন...

## চেৰাশালিত

দিন দীঘল হোৱাৰেপৰা
কাগজ-কলম সাজু
ঘোঁৰাৰ কদমত আহি আছে কবিতা বিষয়ী
বিজুলী স্মৃতিয়ে দিছেহি আগলি বাতৰি
নিচুকনি গীতৰ বনমালা গুঁঠি...
পাৰি থৈছোঁ ফুল কোমল দলিচা আৰু সৰিয়হৰ গাৰু

অতদিন আছিল ৰৈ, খৰাঙে পোৰা ভৰিত থিয় হৈ
আকাশ ধিয়াই খেতিয়ক ভাই

অনুভৱ কবিৰ স্কুটাৰত কিক্ মাৰোঁতেও ওলায় কবিতা
খন্তেক ৰ'বলৈও আহৰি নাই
পিলিয়নত বহুৱাই ন-আৰোহীক জালুকবাৰীত কৃষ্ণচূড়া দেখুৱাই
শুৱালকুছিত তাৰ বয়ন-অন্তঃবয়ন...



আগতে ৰাতি শেতেলিত পৰোঁতে
শব্দ-উপমাৰ মিঠা আমনিত পৰি
আঁঠুৱা দাঙি ওলাই আহে কবি নীলমণি

কোন আহিছে আজি কবিতা বিষয়ী
সৰল শব্দই তুলিব সুৱাগুৰি
ভয় নাই, ওপজিয়েই লৰ মাৰিলে জেঠী
সম্পাদকৰ টেবুলৰপৰা ঘূৰি অহাৰ গ্লানি ল'ম মূৰ পাতি
তথাপি পোয়েটিক ব্যৰ্থতাৰ বাবে নকৰোঁ বীমা
ভুল হ'ল হওক তথাকথিত 'জনপ্ৰিয়তা'ৰ বানান...

## আত্মভৰ

আমি নিজকে যিমানলৈকে দেখা পাওঁ
সিমানলৈকেহে ভাল পাব পাৰোঁ নিজক
কিবা যদি থাকেগৈ বাকী
সেয়া ন' মেন্‌ছ লেণ্ড

সমুদায় মানুহে নিজকে দেখেনে সমানে?
জোকাৰি চায় নাৰিকলৰ পানী
নাজানিলে চাব, নেদেখি কদাপি
সীমা ঠেলি কাষৰি কটা মাটি

যিমানে দেখি অতল তলি
সেয়েতো ভাল আবাদী জমি



## ধূলি ছদ্মৱেশী

ফাগুনৰ লাই পাই
ধূলিবোৰে গুৰু-গোসাঁই নমনা হ'ল

ঘৰসৰা মানুহজনী জানো কম
একেবাৰে ছিছিফাছ
নাকত ধৰি চাকত ঘূৰাব খোজে পৃথিৱীৰ ধূলি

মানুহজনীৰ জেদী ঝাৰুডাল দেখি
ধূলিৰ বাবে ফাগুনৰ জেডপ্লাছ ছিকিউৰিটী
ধূলি জোঁৰ পুৰি হাত পায়হি
ভালকৈ জোকাৰি চোৱা যদি—
তোমাৰ সোণবৰণীয়া শৰীৰো ধূলি
পিছে ছদ্মৱেশী...

ধূলিয়ৰি বাটত ফাগুনৰ সেই চিনাকি ফলক ঃ
আগত নিবনুৱাই কাম কৰি আছে
লাহে লাহে চলাব চৰকাৰ গাড়ী

## জোখ-মাপ

পৃথিৱীৰ কিমান মানুহে দেখিছে
চকীবোৰ উৰি ফুৰিছে?
কিমানে জানে, চকীত নবহা মানুহো থাকে
তাৰে এজনক যদি 'আহক বহক' বুলি মাতে
কাৰনো ভাল নালাগিব

আপোনাৰ ভাল লগাখিনিৰ মাজত
তেওঁৰো ভালপোৱাই শিপা মেলে

কথাবোৰ প্ৰায়ে ভবাৰ দৰে নহয়
নিজ হাতে ৰোৱা আকাশীলতাৰ উচ্চতাৰে
জুখিব বুলি ৰৈ থাকোঁতে
হঠাৎ দেখিবা তুমি বেক পকেটত লৈ ফুৰা
ফণি অথবা পিন্ধি থকা জোতাযোৰেৰে
তোমাৰ এটা জোখ-মাপ হৈ গ'ল



সিদিনা পুৱাৰ চাপকাপ বিচাৰি হোটেলত
বহিব খোজোঁতে টেবুল মচি থকা ল'ৰাটোৱে ক'লে
প্ৰথমে চকীখন বহুৱাই লওঁ
তাৰ পিছত আপুনি বহিব

সিও দেখিছে চকীবোৰ উৰি ফুৰিছে
তুমি দেখিছা জোখ-মাপত টাংটালি
কবি নৱকান্তৰো আছিল একেই প্ৰশ্ন ঃ
জোখ-মাপ সঠিক নহ'লে কেনেকৈ চিলাব
মানুহৰ জোখৰ চোলাটো?

চকীবোৰ যদি উৰি ফুৰিছে
দৰ্জী বহিব ক'ত?

## আপোন ছাঁ চাই নাচোন

ভালেমান দিন হ'ল। ছাঁটোৰ স'তে মোৰ মাত-বোল নাই। ভৰ দুপৰীয়া সি মুখ ফুলাই বহি থাকে। বয়স হৈছে। তথাপি তাৰ খজিনা ধৰাৰ অভ্যাসটো নগ'ল। আলোক কিম্বা আন্ধাৰ— কালিৰেপৰা সি একো এপদ মুখত দিয়া নাই। জোৰ কৰিলেও খাবলৈ মুখেই নেমেলে। আবেলিৰ বেলিটোলৈ চাই বহি থাকে। মোক লগ পাবলৈ অহা মানুহবোৰলৈ তাৰ কি খং! সদায় হেনো তাক গচকি আহে। হয়তো সি নেদেখে— কতজনৰ কত কথাই মোক নিতৌ গচকি-ফেনেকি থাকে। অচিলা পালেই সি মোক সোঁৱৰাই ভাল পায়ঃ আইতাই কোনোদিন ককাৰ ছাঁ নগচকিছিলে।

কেতিয়াবা সি মোৰ আগত থিয় হৈ থাকিলে, তাঁলৈ কোনেও এবাৰো নাচালে তাৰ ফাইটো কি চাবা? সি ভোৰ্‌ভোৰাই থাকেঃ "মানুহবোৰ কণা নেকি? কুকুৰ এটায়ো মোক দেখিলে ভুকে।" মনতে ভাবোঁ, সি হীনমন্যতাত বাৰুকৈয়ে ভুগিছে। বেচেৰালৈ বেয়াই লাগে। তাকে লৈ সৰুতে কিমান যে হাতী-ঘোঁৰা-বাঘ-ভালুক হৰিণ সাজিছিলোঁ।

এইবাৰ পিছে কথা বেলেগ। তাৰ অভিযোগ গুৰুতৰ— মই হেনো অবাটে গৈছোঁ। মূৰে ভৰি কাঢ়িছোঁ। দিনতে আন্ধাৰৰ প্ৰেমত পৰিছোঁ। সি ডবিয়াই উঠে— পৰকীয়া প্ৰেমৰ পৰিণাম ভয়ংকৰ। মই কি স'তে তাক বুজাওঁ যে পোহৰ বিচাৰি কেতিয়াবা আন্ধাৰৰ মাজেৰে যাব লগা হয়।



## তোমাক বিচাৰি আছোঁ নিৰন্তৰ

সকলো তোমাতে অথচ তুমি তাত নাই
কথাটো এনেকুৱা নহয় যে আলহী মাতি
তুমি গৃহস্থ, ঘৰত নাই

যোৱা মাহত মোৰ কোনো ধৰ্ম নাছিল
তোমাক বিচাৰি বাটে-হাটে বনাই ফুৰিছিলোঁ
পথক চেৰাই গৈ যি পথেৰে যাব পাৰি
তাতে আজিও বিচাৰি আছোঁ তোমাক নিৰন্তৰ

এতিয়া উভতি যোৱাৰ আৰু অকাম কাৰণ নাই
মোক ইয়াতে নিখুঁতভাৱে বিভ্ৰান্ত হ'বলৈ দিয়া
ভুগিবলৈ দিয়া মোক আৰু এটা ইহকাল
সকলো পায়ো তোমাক নাপালে ঘূৰি যোৱাৰ
"কাৰণ" নৈৰ অৱশেষ জুলীয়াখিনিও শুকাই তৰাং

চলি থাকিবলৈ যিদৰে ধৰ্ম এটা লাগে
পলাবলৈও লাগে আন এটা
ভোক-পিয়াহৰ ধৰ্ম ফুটবলৰ দৰে
হ'লেও হাজাৰ হাজাৰ গ'ল
ফুটবলে আজিলৈকে খোৱা নাই এটাও গ'ল

আজীৱন ভালপোৱাৰ সৈতে ফুৰিলোঁ
হে' মৰণ, তোক এপাক ফুৰাই আনো ব'ল...

## ৰসৰ তল-ওপৰ

ৰসাতলৰ তলতে হেনো নৰক
যাৰ অন্য নাম জহন্নাম
তাৰ ওপৰত ৰসে চৌ চৌ পৃথিৱী
যিদৰে উৰণ সেতু আৰু তলত ৰেল-আলি

পাতালত গৰম তেলত উতলে মহাপাপী
ওপৰত মৌৰসত পৰি মৰে মাখি
থাৰ্মকলৰ বাকচত জীয়ন দিয়া মাছ

সৰগৰ আগতে মানুহ মঙললৈ যাব
বায়ু ভাল হ'লে শতায়ু হ'ব...
আকাশত চাং নপতাই ভাল
মাটিৰ শৰীৰ শুকান-উবান



ৰসাতল গুচি ঘৰবাৰী হ'ল
ধিতিঙালি নেৰা শৈশৱে জানে
আয়ে ডবিয়ালে বুলিয়েই
কোনো বাট ৰসাতলে নাযায়
ৰসাতল আছিল যেতিয়া
জহনীত যোৱা জহন্নামো আছিল

এই জীৱন মহাজীৱনৰ শিশুকাল
হাত-মুখ ধুই ফলি-পুথি লোৱা ভাল
মাজে মাজে আহক হাহাকাৰ
হাহাকাৰবোৰৰ আকাৰ থকা হ'লে
গবা মাৰি ধৰি ক'লোঁহেঁতেন—
দে লোজেন এটাকে দে

## অসময়ত আবেলি

এই দুপৰীয়াতে কিয় দেখুৱাইছা মোক আবেলি
বেলিক জানো কোনোবাই দেখুৱায় চাকি

নদীখন শুকাই যোৱা নাই
পানী চুই এতিয়াও দুদণ্ড কাব্যিকতা কৰিব পাৰি

সময়ৰ চলমান পটত
যদিও মানুহ মুহূৰ্তৰ দুই-এটাহে ফুটি উঠে

মোৰ চেতনাত ছন্ন পৰা অনন্ত পথাৰ
চাই লওঁ আৰু পূবৰ ধেমেলীয়া বেলি

প্ৰেম ভালপোৱাৰ বাবেই বাৰে বাৰে
প্ৰত্যাখান কৰিছোঁ শেঁতা পৰা ওঁঠৰ চুমা

আবেলি তোৰ বাবে ব'হাগে আজিও
লিখা নাই নাহৰপতীয়া আদৰণী আখৰ



## পুথি-প্ৰাচীৰ

এটা মহলৰ ভিতৰত আৰু এটা মহল। মান মহল। ভাৰতৰ জাতীয় বৈভৱ, পৃথিৱীয়ে জানে। নজনা কথাটো হ'ল মান মহললৈ ভাবুকি আহিছে। আন্ধাৰে-পোহৰে ৰ'দে-বৰষুণে সকলোতে সংশয়। নিৰাপত্তা বঢ়াব লাগে। নতুন দিল্লীৰ নৰ্থ ব্লকত ক্ষণে ক্ষণে বৈঠক। ছিদ্ৰহীন সুৰক্ষা লাগে? দেশবাসীৰ চিঞৰ। দক্ষিণৰ দেৱালখন বেছি ভংগুৰ। পলকতে সোমাব পাৰে বিষাক্ত ৰসায়ন। অষ্টপ্ৰহৰে এলিট গাৰ্ড মোতায়েন। পিছে গাৰ্ডক কোনে গাৰ্ড দিব? তিনিতৰপীয়া নিৰাপত্তা বেহু, নিৰন্তৰ চাইবাৰ নিৰীক্ষণ। ছুপাৰ কম্পিউটাৰে সংকেত দিছে ক'ৰবাত সুৰুঙা বৈ গৈছে। দক্ষিণৰ দেৱালখনত নেদেখা ফাঁক। দেশবাসী অস্থিৰ। সুৰক্ষা বুনিয়াদী প্ৰয়োজন। কাৰো চকুত টোপনি নাই। দোভাগ নিশা তেল পুৰি পুৰি এদিনতে তেৰ নম্বৰ কেবিনেট বৈঠক। ৰাষ্ট্ৰপতিৰ দেশবাসীক আহ্বান; হে' এশ বিশ কোটি আবাদী, উপায় দিয়া...

দেশ-বিদেশৰপৰা আহিল নানা উপায় অশেষ। তাৰে এটাহে ফলপ্ৰসূ হ'ল। সকলোৰে মনত স্বস্তি; উপায়দাতা মোৰে শোণিতপুৰীয়া কবি, নিবাসী কলাবাৰী।

নিৰাপত্তাজনিত কাৰণত চৰকাৰে কোনোদিনে প্ৰকাশ নকৰে ঃ কিদৰে ছিদ্ৰহীন হ'ল মান মহল; সুনিশ্চিত হ'ল জাতীয় সম্পদৰ নিৰাপত্তা। গহপুৰৰপৰা শোণিতপুৰীয়া কবিয়ে এই প্ৰতিনিধিক জনোৱা মতে, চৰকাৰক তেওঁ মান মহলৰ দক্ষিণৰ দেৱালখনত কিতাপৰ তিনিটা ৰেক্ ৰখাৰ পৰামৰ্শ দিছিল। প্ৰথম ৰেকত টয়ষ্টয়ৰ *ৱাৰ এণ্ড পীচ*, শ্বেইক্সপিয়েৰৰ ট্ৰেজেদীকেইখন, তৰুণ নেৰুডাৰ কবিতা, শংকৰদেৱৰ কীৰ্তন পুথি, ডান্তে, গ্যেটেৰ কাব্যনাটক। First Line Of Defence.

কিতাপৰ তিনিটা ৰেক্। তিনিতৰপীয়া নিৰাপত্তা।

## সপোন কলি সৰে যদি

মই এটা আধা দেখা সপোন
টোপনিৰ ডালত বহি
গছতে পকা ফল এটা চুহি থাকোঁতে
হঠাৎ তললৈ পৰিলোঁ খহি

মই বিচাৰি ফুৰিছোঁ সেই মনোজগত
আৰু তেওঁৰ টোপনিৰ উমনি
য'ত মই ডাঁহেচিয়া হ'লোঁ

মই সৰি পৰিলোঁ ৰাতিৰ আন্ধাৰত
এখাল জোনাকী পৰুৱাৰ মাজত
সিহঁতৰ মিলিত পোহৰত দেখিলোঁ
মই ধানৰ শীহলৈ অহা গাখীৰ



সাকাৰ হ'বৰ বাবে এটা আকাৰ লাগে
সপোন পূৰ হ'লহে চচাৰৰ
পাৰ্টিলটৰ দৰে ব্যাখ্যা কৰিব পাৰি

টোপনিৰ ঠেঙুলি ঠুনুকা বুলি
সপোনবোৰ এইদৰে কলিতে সৰি পৰিলে
সপোন দেখিবলৈ এৰিব মানুহে

ৰাতিৰ ভিতৰতে মোক পূৰ্ণ হ'বলৈ দিয়া
যদিহে আধৰুৱা হৈ ৰওঁ
পুৱাৰ পোহৰ হোৱাৰ আগতেই
মোক দ-কৈ গাঁত খান্দি পুতি পেলাবা
মই আনলৈও সুঁচৰিব পাৰোঁ

## মন মেৰি সপোনপিপাসী
(যুৱক, মধ্যবয়সীয়া আৰু বৃদ্ধৰ প্ৰতি)

১
এইটো তাৰ শোৱনি কোঠা
এখন খিৰিকী সদায় খোলা
তাৰ আকাশডোখৰ নীলা
মকৰাই তাতে জাল গোঁঠে
চিকাৰ কৰে তাৰ উশাহ-নিশাহ
আৰু ৰাতিৰ হুমুনিয়াহবোৰ

তাৰ দীঘল হুমুনিয়াহবোৰ
মেলি দিলে মকৰাৰ জালখনৰ মান হ'ব
সি তাৰে চিকাৰ কৰিব পিটকলি সপোন

পিছে সদায় হিমালয়ত উঠিব খোজা
ডেকামন প্ৰথমে ইয়াতে বগা
হ'লেও ই এটা কেঁচুমটা...



২
তোমাৰ সপোনৰ গাড়ীখনত বহি
ট্ৰেফিক ছিগ্‌নেলত ৰৈ আছা
মন বৰ উচাটন... কেতিয়া জ্বলিব সেউজীয়া

তোমাৰ সপোনৰ গাড়ীখনত বহি
মহানগৰীৰ এটা চিনাকি ট্ৰেফিক জেমত
তুমি অস্থিৰমনা... কেতিয়া খুলিব ৰাস্তা

ভিৰৰ মাজত সাঁতুৰি-নাদুৰি ফুৰা মানুহবোৰে
গাড়ীবোৰে অথবা ট্ৰেফিক পুলিচে নাজানে
ইমান সোনকালে তুমি
আন এটা সপোনৰ পিছ লৈছা বুলি...

৩
সপোনত দেখি দেখি
তুমি মোক অবাস্তৱ কৰি পেলালা

আজি টোপনিৰপৰা সাৰ পাই দেখোঁ...
মোৰ নামটো নাই ক'তো
নাই হাজিৰা বহীত, ইণ্টাৰভিউ ব'র্ডত
নাই ভোটাৰ তালিকাত আৰু পেন্সনৰ খাতাত
ভাগ্যৰ নেওতাত মোৰ সংখ্যা সর্বদা ১৩

জীয়াই আছোঁ কোনোমতে
বুকুৰ ভিতৰত বাজি থাকে প্ৰাণ নথিৰ গান
বছৰৰ শেষত বেংকেও শুনে তাৰ তান
"মাছ্ ধৰ মাছ্ ধৰ বেংক
এইটো চা, মোৰ কি নির্ভুল কায়া"

ইয়াত একো নাই
ঠেৰেঙা লগা অতীত
বৰ চেঁচা...



# ছায়া-বিবাদ

মই আন্ধাৰৰ ফালে গৈ আছোঁ
মোৰ আগে আগে জোনবাই, ঘন ক'লা জাৰণিখন চাই
বাটত লগ পোৱা বতাহ এজাকে ক'লে ঃ
মোৰ ছাঁটোৰ অসুখ
মোৰ তিলমানো ভ্ৰূক্ষেপ নাই

যিদিনা জানিলোঁ সি ঢাকি থ'লে
মোৰ শতেক সূর্য্য কিৰণ
সিদিনাই তাৰ সৈতে মোৰ এৰা-এৰি হ'ল

"নিজৰ ছাঁ চাব নাপায়..."
নুশুনি এই হাকবচন মোৰ আইৰ
কৈশোৰৰ দিন ধৰি ছাঁৰ সৈতে মোৰ হলিগলি

মই আন্ধাৰৰ ফালে গৈ আছোঁ
শূলেৰে শূল কাঢ়িব খুজিছোঁ
সি হয়তো ভাবিলে
তাক শেষ কৰাৰ বাবে এই অভিযান
সেয়ে সিও দেখিবলৈ লৈছে সপোন— ধৱলী বৰণ

ছাঁৰ সৈতে মোৰ এৰা-এৰি হ'ল
ভেদ ৰেখা এড়ালেই
আন্ধাৰ অথবা পোহৰ

## শব্দত শৰণ

১
শব্দত শৰণ ল'লোঁ
শব্দই মোৰ হাজিৰ জবাব
সপোনে-দিঠকে শব্দময় উচ্চাৰণ
দুখৰ গজালৰ ভৰ শব্দৰে জুখিছোঁ
শব্দৰ সাঁকোৰে পাৰ হৈ আহিছোঁ
কত ঘনঘোৰ আন্ধাৰ জয়াল

শব্দত সাপৰ জিভাৰ জুই
শব্দত কণীৰ কুহুমৰ উম
শব্দৰ সংগীত বাজিলেহে অৰ্থই চালি ধৰি নাচে



২
মোৰ তৰ্জনীটো পোন
গাঁত দেখিলেই ভৰায় গুটি
পিছে গাঁতবোৰহে বৰকৈ নাপাওঁ দেখি
মহানাগৰিক পৰাৰ বাতৰি পঢ়িহে জানো
মেনহ'ল তেন্তে সঁচাই আছিল

মই যাক অতদিনে বিচাৰি ফুৰিছোঁ
তেৰোঁ যদি মোক বিচাৰি আছে...

## চিৰবসন্ত

ৰূপান্তৰৰ এসাজ পিন্ধি
মোৰ মৃত পিতৃ কালি আহিছে উভতি
সকলো চলি আছে নিজ নিয়ম মানি
তেওঁ ঘূৰি অহাৰ পাছতো ঘৰৰ
ঘড়ীটোত একেই টিক্ টিক্ শব্দ শুনি

পিতৃয়ে চিনি পাইছে তেওঁ এৰি থৈ যোৱা
ঘৰৰ বাহিৰ-ভিতৰ, ইমূৰ-সিমূৰ
মাথোঁ চিনিব পৰা নাই
তেওঁৰ একালৰ সংগী বেতৰ লাখুঁটিডাল
আমি সকলো সহজ
মনত ৰাখিব পৰাজনে, পাহৰিবও পাৰে

অতীজৰ কোনো কথা তেওঁ ক'ব নোখোজে
কথা-বতৰাত নাই ভূতকাল
কেতিয়া আহিলে বুলি সুধিলে কয় ঃ আজি
আগতকৈ তেওঁৰ খোজৰ গতি ধীৰ হ'ল
অনৰ্থৰ বাবে তেওঁ এখোজো নাকাঢ়ে
অপ্ৰয়োজনত নামাতে তেওঁৰ মৌ মাত



দেখাত আগতকৈ তেওঁ ওখ পৈণত বুদ্ধিমান
হয়তো জানে তেওঁক ঘেৰি আছে
সন্দেহ আৰু অবিশ্বাসৰ খণ্ডিত বৰ্তমানে

আহিয়েই তেওঁ বিচাৰিলে
তেওঁ আধাতে এৰি থৈ যোৱা দুপৰীয়াটো
আৰু তাতে থোৱা এটা আধা খোৱা আপেল
হীৰাৰ দৰে উজলি উঠিল তেওঁৰ দুয়ো পাৰি দাঁত

এতিয়া তেওঁৰ সকলো কথাতে যৌৱন
জীয়াই থকাসকলকহে স্মৃতিৰ প্ৰয়োজন

তেওঁৰে বেতৰ লাখুঁটিডালত ভৰ দি
পাওঁ নেকি বিচাৰি যাওঁ তেওঁৰ বাবে এটি নতুন সম্বোধন

## গুৰু প্ৰণাম

অপাৰ জলধিৰ জীৱন হে গুৰুজন
যিফালেই চাওঁ সৰ্বত্ৰ
তোমাৰ গভীৰ ৰসময় নাও

জন্ম নাই, তথাপি জন্ম ধৰা চিন্তামণি
সেহি গুণৰাশি— 'যৈচন গগন বিয়াপি'

উপমা অনুপ্ৰাসেৰে হাতেখড়ি
তেল নাই, লোণ নাই, শুদা আঞ্জাৰ কি স্বাদ

জীৱন জলযান দুখ সাগৰে ভাসমান
তোমাৰ খুঁটি ধৰি ভাটীলৈ যায়
'গড় বান্ধি যুঁজিলেই সজ'
তথাপি যাতনাৰ হাতী সৰকি আহে

মই ঢেঁকীৰ গৰিক গুৰুজন
এই হাতী হেন ৰাতি
খুবলি বিচাৰি ফুৰিছোঁ
খুন্দিবলৈ অন্ধলা মায়াৰ গুটি

প্ৰেম অমৃত পদে ঘন অৰণ কাটে
নিশাচৰ নাশ নিদানা



## দিল্লীৰ লাড্ডু

বগা ফুলাম পিৰিচখনত
সজাই থোৱা আছে
সমান জোখৰ দুটা লাড্ডু
আমি প্ৰথম কামোৰ মাৰিলোঁ
কামোৰ দুটা জুখি চালোঁ
তোমাৰ কামোৰটোৰ স'তে নিমিলিল মোৰ
কামোৰ দুটা ইটোৰ ওপৰত সিটো জাপি থাকোঁতে
মই দেখিলোঁ তুমি কিছু বিমৰ্ষ হৈ পৰা
আইতাই সৰুতে কোৱা সাধুৰ দৰে
তোমাক ক'লোঁ সকলোৰে দেখা সপোন এটাৰ কথা
পৰীক্ষা কাইলৈ ঃ মই একো পঢ়া নাই
লাড্ডুৰ পিৰিচখন তোমালৈ আগবঢ়াই দিলোঁ
আমি আকৌ লাড্ডুত মুখ দিলোঁ
আৰু কামোৰ জোখাৰ কথা সপোনতো নুলিয়ালোঁ

আমাৰ লাড্ডু কামোৰৰ
অৰ্থহীন শব্দ আৰু ধ্বনিবোৰ
আনে নুশুনিবৰ বাবে
বাথৰুমত খুলি দিলোঁ পানীৰ টেপ, বজালোঁ পানীৰ মাত

## কৰ'নাকালৰ কবিতা

মই মোৰ আমাৰ ওপৰত
এতিয়া কাৰ অধিকাৰ

তম্বু খুলি গুচি গ'ল চাৰ্কাছ পাৰ্টী

আলিবাটবোৰ ইমান অকল
কৰুণ নাছিল বোধহয় কোনোকালে

পুৰা ওৰাদানি বেলিৰ বাহাৰ
তগৰ ফুলৰ সুৰ-সুৰভি

মকৰা নিজে কটা সূতাত বন্দীয়াৰ

দুৱাৰ খুলিলেই দেখি এটাই বিজ্ঞাপন
পদ খালী পদ খালী
বিজন ৰাস্তাবোৰে ঠিকেই বুজিলে পদহীন

ক'তো পৰা নাই এখনো আৱেদন
আমাকে দেখি অন্য জীৱৰো কোৱাৰেণ্টিন



চৰাইবোৰৰ কথা নধৰিব
সিহঁত যুগ যুগান্তৰৰ শুভংকৰ

মই ভিতৰত সোমাই আৰু ভিতৰলৈ গৈ আছোঁ
বহুত ঠাই আগতে ফুৰা নাই
ইয়াৰপৰা যদি এবাৰ ওলাই যাব পাৰোঁ
পৃথিৱীয়ে মোক নাপাব চিনি...

তাৰ আগতে সদ্যহতে
মোৰ ইচ্ছা-পত্ৰত দিলোঁ
চৰাইক অধিকাৰ

সিহঁতে আজিও মোৰ পুৰতিক জগায়...

## নিয়ৰ ভঙা খেল

ঘাঁহনিত চৰি থকা বগলীকেইটা ধৰি আনি
গ'লপষ্ট কৰিলোঁ
ছুৰু হ'ল আমাৰ
নিয়ৰ ভঙা খেল

তুলনাৰ বাবে পুৰাই খুলি গ'ল পৃথিৱী
গৰমৰ দেশত আইচ হকী

কুঁৱলীয়ে ভাল নাপায় ইটা-শিল-বালি
চৰিবলৈ লাগে মুকলি

ৰেফাৰীৰো থাকে আত্মপক্ষ
গ'লপ'ষ্টৰ পক্ষ নাই
পিছে কুঁৱলীক গ'লপ'ষ্ট কৰিব নোৱাৰি



## উভয়ত ভয় হৈছে

"আগতে যেতিয়া আমাৰ মাটি আছিল
বগা মানুহৰ হাতত আছিল বাইবেল
যেতিয়া আমাৰ হাতলৈ আহিল বাইবেল
বগা মানুহৰ হাতলৈ গ'ল মাটি"
— আফ্রিকীয় প্রবাদ

এতিয়া ভাবিছোঁ বাদুলিৰ দৰে বাছি ল'ম
দিন অথবা ৰাতি
উভয়ত ভয় হৈছে
আঁচুকাঠ ঘঁহি দিনতে বনৰজা ফুৰে
নিজৰ ছাঁ চাই নাচে ৰচকী পৃথিৱী

আগতে কেন্দ্রত আছিল কৃষ্ণ
প্রেম পানীমলা লৈ চলি যাই গোপীগণ
ৰ'দৰপৰা আনি আলমাৰিত থোৱা
কাপোৰত লাগি ৰয় যিকণ উত্তাপ
সিহে ৰ'ল অৱশেষ আজি

এতিয়া বাছি ল'ম— অবিকাৰী ভুল কিম্বা শুদ্ধক
বিশুদ্ধ ঢাকনি থকাৰ পিছতো
ভুলৰ পৰুৱাবোৰ কেনেকৈ সোমায় কষটিত
তথাপি ২৪ কেৰেট নিৰ্ভৰযোগ্য হোম ডেলিভাৰী !

হে পৃথিৱী, ঘূৰাই দিবিনে মোৰ কেঁচামাল
বেজি আন, বটিয়া আন সী লওঁ পুৰণি চোতাল

## কবিতা-কলি

১
অ' বাইদেউ, তোমাৰ ল'ৰাটো ক'ত?
কান্ধত বেগ ল'ব জানিলেই ল'ৰা ওলাই যায়
আমেৰিকাই কাঢ়ি নিলে, সিও ভাল পালে
অকলেই থাকোঁ, বুকুত শিল বান্ধি
গ'ল বছৰহে সি, বাপেকৰ মৰা মুখখন চাই গ'লহি
মাজে মাজে বেতাৰত কথা কয়, মই ফিৰিঙতি, উৰোঁ
"ফিৰিঙতিৰ পাখিত লাগি ক্ষণিকৰ ছন্দ
উৰি গৈ মিলি যায় ক'ৰবাত, ইয়েই তাৰ আনন্দ... "

২
অই পোৱালি নাম কি তোৰ?
পিতাইৰ নাম ধন, আইৰ নাম আছিল মণি
দুয়োটা মিলাই দুয়ো মোক ধনমণি বুলিছিল
আই হাইজাত সিপুৰীয়া হ'ল
গৰিব দুখীয়াৰ বাপ হেৰাই গ'ল
আমাৰ মালিকে কয়ঃ "নামনো কেলৈ, তোক কামেহে শোৱায়
খবৰদাৰ, গ্ৰাহকৰ যাতে পূৰা খাতিৰ হয়"
যি নাম দি মাতে সেয়েই ভাল
পোৱালি বুলি মাতিলে ছাৰ-বাইদেউৰ কাৰো জুলুম নহয়

৩
অই, পোৱালি তোৰ ঘৰ ক'ত?
পলিথিনৰ ছালি এখন আছিল ৰেল লাইনৰ দাঁতিত
ৰেলে এদিন মহটিয়াই নিলে, কোনোমতে জীওটো বাচিল
ৰাজীৱ দোকানীয়ে কয়, ঘৰ হেনো আচলতে মানুহ
য'তে ভাত কাপোৰ এসাজ পাওঁ
তাতে মানুহ থকা হেন পাওঁ

৪
অই পোৱালি, তই ক'ত শুৱ ৰাতি?
কাম কৰিলে দিনভৰ, বেঞ্চিতে ধৰে টোপনি
কেথন্‌বা আহি কাৰিকৰে খাতিৰ কৰেহি ঃ
বিছ্‌নাত জাগা আছে আহ ঘুম্‌বি
তাত টোপনি্‌ মাৰ্ব নোৰি— বিছ্‌নাখন
লাৰাফৰা কৰে, কটিত কাপোৰ নাথ্‌কে
সি হ'লে কয় ঃ হোটেলৰ মাই্‌জা সমান নহয়
এনেয়ে ভূঁইকঁপ আহা হেন পায়...

# মই তোৰ গালি-নিৰেশৰ জমা পুঁজি

(মাৰ স্মৃতিত)

বাজলে’ চাবলৈ তয়েতো শিকালি,
জুইত ভয় নকৰিবি
পানীত ভয় নকৰিবি

ভয় কি বস্তু
আজিও পালোঁ জানো চিনি ?

তোৰ সংসাৰ খুঁটিত মই যে অখটি
দান-মান মাথোঁ দান-মান
বাট-ঘাটে মানুহ জোকাই
মই ইয়ালৈকে আহিলোঁ আই

মুখখন লাওপাত-কচুপাত
লেঠু দেখা বাটৰুৱাৰ শাওপাত...
কি কচুগুটি ল’ৰা এইপাট

অই শনি, তই মোৰ মূৰটো খালি
বকনি জাউৰি জাউৰি
খটাসুৰ বনি, বাঘৰ আগতেল খোৱা জহনি
আজি মেঘে গাজিলেও নেৰো তোক

যেতিয়া বুজি পাওঁ
আজি মোৰ নাই নিস্তাৰ
থোকাথুকি আৱেগত শান দি
এৰি দিওঁ শেষ শৰপাট

(যদিও বুৰে প্ৰতি শেলুক নহয়)
তোৰ আচলতে তিনিটা দামুৰী
মই হ’লোঁ বুটলি অনাটো

নহওঁ তোৰ তেজ-মঙহৰ
মাংৰা বুঢ়াক তই ধানদোণ দি সলোৱা
নাজানো বুলি ভাবিছ হ’বলা

দেউতাই টাউনলৈ নিয়া হাৰ্কলিছখনো
ব্ৰেক কচিলে এইদৰে ৰৈ নাযায়
যিদৰে তই থৰ লাগি ৰৈ যাৱ
হৰে বাজি থকা মুখৰ মাত
দক্ষিণে গাজিলে মেঘ বৰষিবই
দুধাৰি তপত লোতক হৈ...
সৰুভায়ে দাঁত নিকটায়
ভৰাই থোৱা ধানদোণ দেখুৱাই সিয়াঁৰো
বালিলৈ যিপাট...

আই, তইতো কোনো দিন নাপালি গম
তোৰ নাক-কাণ চকু-মুখৰ সৈতে
মিলাই চাইছিলোঁ মোক— তই দিয়াবোৰ
শয়নে জাগৰণে সংগোপনে

আজি আমি চাৰি ভাই
তোৰ গালি-নিৰেশৰ জমা পুঁজি
মই তাৰে পূৰঠ সিকি
যাৰ আধলি এটাও খৰচ কৰা নাই।।

## পিঁয়াজ এষণা

জীৱন পিঁয়াজ গুচোৱা
ক'লা বগা তামবৰণীয়া
পিঁয়াজৰ নাটনি, পিঁয়াজৰ ওৱাদানি
অতিবৃষ্টি আৰু অনাবৃষ্টিৰ
দুবিধ চকুপানী

কচুপাতৰপৰা ৰাজপাট
চকুপানী গৈ বৰযুণ
বানপানী হ'ব পৰাতে প্ৰতিষ্ঠা
জনপ্ৰিয় মেনডেইট

বাকলি ভিতৰৰ বিজ্ঞাপন
দুৱাৰ খুলিলেহে দেখি অন্দৰ মহল
বাকলি গুচাই গুচাই
জীৱন, পিঁয়াজ ক'ত?
বিচাৰোঁ আহ



## অলপ শৰীৰ-চৰ্চা

তাহানিতে সৰিল গাখীৰ খোৱা দাঁত
মোৰ শৰীৰ সৰীসৃপ
পৰিধানত এতিয়া পশমিনা পোছাক
ভোজনত হ'লে নিৰামিষ

ফেদা চেকা বেক্টেৰিয়া জাত জাত

কি প্ৰয়োজন এই বিশাল বপুৰ
য'ত মই এটা ৰাতি বঞ্চা নাম

সৰুকণত মোৰ সদায় হয়ভৰ
পৰুৱাই ভঙা দেখিছানে কেতিয়াবা
বুটমাহৰ গজালি?

মোৰ গেৰেহা শৰীৰ এটা খুনী
উভালি ফুৰে আশাৰ শিপা
আৰু মানুহৰ আগ্ৰহৰ পুলি

মোৰ শৰীৰ এটা ডুপ্লেক্স
তাতোধিক তাৰ কোঠা
কোনো কোনো কোঠাত নিজকে মোৰ
একান্তই আলহী যেন লাগে...

## ভজন চৰাই

সভাঘৰ কাঁহ পৰি জিন গ'ল
নটুবৰ থক্কৰে গান্ধী মন্ত্ৰ পঢ়িছে

হঠাৎ সাৰ পাই তিনিটা ম'বাইল ফোনে
একেলগে ভুকিলে ঃ আমাৰ কথাও শুনা।

গিৰিহঁতে সিহঁতক বুজনিৰে ঠাণ্ডা কৰে মানে
আমি শ্ৰোতাগণ গান্ধী-পুতলা পালোঁগৈ।

তিনি গিৰিহঁতে ঠিকেই বুজিলে
নটুবৰ থক্কৰে তিনিখন ম'বাইল ছিমৰ কথা ক'লে।
তাৰ পিছত বিজুলী আহিল,
সুত লগাকৈ পাংখা চলিল
সকলো চিল্‌মিল্ টোপনিত পৰিল।

সাৰপাই আমি গান্ধীৰ গলবস্ত্ৰ
ধনীয়ে নলয় বুলি দীন-দুখীক বিলালোঁ

গান্ধী আশ্ৰমলৈও ব'হাগ আহক বুলি
গছৰ ডালত কুলিয়ে বিনালে
তাকে দেখি আমাৰ ল'ৰা দুষ্টই শিল দলিয়ালে

অ' মোৰ সুৰীয়া ভজন-চৰাই
তই আছনে গা বচাই?



## নিষিদ্ধ অঞ্চল

জাৰকালি আবেলি
গৰম কাপোৰে গাটো আমেজ লগাকৈ ঢাকি
হয়তো বৰকৈ নভবাকৈয়ে ক'লা তুমি—
হাতৰ আঙুলিতে চকু এটা থকা হ'লে
ধুৰ্ বুলি নিয়মৰ বিধি-পথালি
চাই ফুৰিলোঁহেঁতেন কিমান যে নোচোৱা-নেদেখা ছবি

মৌ-মাখিবোৰে সাজিব পৰা হ'লে শব্দ
কিমান যে ধুনীয়া কবিতা লিখিলেহেঁতেন
পশু-পখীয়ে ক'ব পৰা হ'লে মানুহৰ ভাষা
খুলি গ'লহেঁতেন কত যে বিচিত্ৰৰ দুৱাৰ-খিৰিকী

থোৱাহে ৰস অৱতাৰ,
তোমাৰ গছত গৰু উঠা ছবি
মানুহৰ দৰে পশু-পখীয়ে মাতিব পৰা হ'লে মাত-কথা
মানুহৰ নীতি-নিয়মেও বান্ধিব আটি আটি
পশু-পখীৰ বাবেও ন ফ্লাই জ'ন, ভিছা, পাৰ-পত্ৰ, নাগৰিকত্ব, আধাৰকাৰ্ড
কোনে দিব গেৰাণ্টী, উৰি ফুৰাৰ আজাদী
জিভা কটা যাব, "হোৱা" দিও বঁটা পাব

মানুহে শুনি থকাই ভাল কুলি-কেতেকীৰ মৌ-মাত
মইনা-ভাটৌ ধৰি আৰু শিকাব নালাগে
নিজৰে মাত-কথা— আহক বহক খবৰ পঢ়ক...

## কাকমুখে ক'লে

কুমাৰ সম্ভৱ
কুমাৰী সম্ভৱ
প্ৰেম সম্ভৱ
লঠঙা ডালত পৰি কাকমুখে ক'লে
ঃ প্ৰেম অসম্ভৱ
তেন্তে মৰণ সম্ভৱ?
ঃ অসম্ভৱ
কাকমুখে মাথোঁ কয় পুনৰাই...



## পিঁয়াজ পাত নে আলোকপাত

বজাৰৰ মোনাখনতে উখ্যাটো থৈ তুমি ক'লা ঃ
আকৌ বাঢ়িল পিঁয়াজৰ দাম।
কলথোকা বাদুলিয়ে খালে বুলি ক'লেই মই দুজাপ মাৰোঁ।
পিঁয়াজ ধেমালি নহয়। কটাজনকো কন্দুৱায়।
কাষলটিৰ তলতে পিঁয়াজ এটা লৈ
জ্বৰ গাও বুলিও ৰৈ গ'লোঁ।
কথাৰ গুৰি বিচাৰি মই লাহে লাহে
পিঁয়াজৰ ভিতৰলৈ সোমাই গ'লোঁ।
একা-বেঁকা পিছল বাটত মোৰ কি যে ছি-শ্ব খেল।
পিঁয়াজৰ ভিতৰখন বৰ নিঃকিন।
ৰঙা পলিথিনৰ বেৰবোৰত আঁৰি থোৱা আছে বেংকৰ ঋণৰ কাগজ।
পিঁয়াজৰ লগত কথা পাতিব খোজোঁতেই শুনিলোঁ
কোনোবাই আঁজুৰিছে তাৰ ৰঙা পোছাক।
বাহিৰলৈ আহি চাই দেখোঁ মোৰ লগুৱা কটাৰীখন।
উগ্ৰ-মূৰ্তি কটাৰীয়ে মোকেই নাপালে চিনি।

মই পিঁয়াজৰ সৈতে একেলগে কান্দিলোঁ।
তুমি মোৰ চকুপানী মোহাৰি আছা নে
পিঁয়াজৰ বাকলি গুচাই আছা, ধৰিবকে নোৱাৰিলোঁ...

## টাটকীয়া বাজিকৰ

কিমান দূৰলৈ যায় আমাৰ অনুমান
নিজে যায় নে কোনোবাই ঠেলি থাকে
যিদৰে মাকে আপোন সন্তানক
পঢ়া-মেজত বহিবলৈ হেচুকি থাকে

কিমান দূৰলৈকে যাব পাৰে অনুমান
যিবোৰ নঘটে কোনোদিনে, তালৈকে ?

গোপন সূত্ৰৰ পম খেদি
কোৱাহে নৰী, কিমান জি বি হ'লে
মানুহ হ'ব পাৰে দীৰ্ঘজীৱী

অসম আৰ্হিয়ে জানে
বহি খোৱাকে দমৰা বোলে
কিন্তু ভদাইৰ হালখনে জানে
আজিও দমৰাই টানে বাহন বসুমতী



মহান নাগৰিক পৰিৱেশ দেখাতহে শান্ত
ভিতৰি কাতিমহীয়া কুকুৰ
টাবৰ ফুলে মল্‌মলায়
মলেও মল্‌মলায়
হনুমান হাৰ্ডৱেৰে আজি-কালি যোগান ধৰে
পাহাৰৰ ৰঙা মাটি, শিল-বালি

হেৰা আমাৰ অনুমান,
তোমাৰ কুণ্ডলী পকোৱা বাটত
লগ পোৱা যদি কেতিয়াবা হেৰোৱা প্ৰেমক
ক'বা আজিও ৰৈ আছে পৃথিৱীৰ মানুহ

টোকা ঃ GB, Gigabyte

## শোক প্ৰস্তাৱ

মৰণ দিবিনে অলপ মৰম

মৃতক বৰ স্বাৰ্থপৰ
আনৰ টোপনি খতি কৰি
নিজে ইমান যে নিখুঁতভাৱে শুব পাৰে

নিজে নাহাঁহে বুলিয়েই
আনকো নিদিয়ে হঁহাৰ অনুমতি
জীৱনৰ একেবাৰে আগত বিশ্বৰূপ ধৰি
এনেকৈ থিয় দিয়ে
কোনেও কাকো চিনিব নোৱাৰে
আকস্মিক এন্ধাৰ ধল যেতিয়া নামে
জীৱনৰ পাৰ বান্ধি কোনেও নাপায় আহৰি

দুইবেলা সুৰাপান কৰি দেহ-মাটিক
ধন বুলি ফাকি মাৰিব পাৰি
মূৰৰ শিতানত ল'ব পাৰি কোমল গাৰু



সুধিব পাৰি— মৃতক ডেকা নে বুঢ়া
সুধিছা যেন কাৰ ওজন বেছি
এক কিলোগ্ৰাম কপাহৰ নে
এক কিলোগ্ৰাম শিলৰ?

জীৱনক ভাল পালে কোনো মৰণকে
ন্যায্যতা দিব নোৱাৰি

মৰণ-আমৰণ ঠিক একেই কৌতূহল—

ধনুখনত জুৰি থোৱা কাঁড়পাট এৰি দিলে
কাৰ মুক্তি— ধনু নে কাঁড়ৰ?

## মাহ ভাদ

গড় বান্ধি যুঁজা ৰণুৱা ভদায়ে
এৰালৰ পঘা এপদ এপদকৈ খোলে
নামৰসে উটুৱাই নিয়ে বাৰমহীয়া মলি
বৰমোহা বালিচাপৰি চপৰা-চপৰে খহে
পকা মিঠৈ হৈ মন বছৰটোলৈ আটে



## পৰকীয়া

মাটি তোমাৰ সন্ধি
দবা খেলৰ পুৰণি গুটি
ইয়াতেই থাকি তুমি
মেলি থাকিব খোজা শিপা পৰকীয়া

পাহাৰী নিজৰাক ফুচুলাই
পতি পৰমৰ বনৰা প্ৰকৃতি

মোৰ চকুত মৰা ধূলিখিনি
মোৰপৰাই নিয়া আথে-বেথে মাগি

টকৌ পাতৰ ঘূৰণীয়া ছাঁত বহি
ভাঙি দিওঁ নে সাঁথৰ আজি
তেহেলৈ জখলা, মুঢ়া, টুল যিহকে বোলা
পানীৰ ওপৰত থাকে তেল বিৰিঙি

বাঘৰ মাহীয়েক মেকুৰী বুলি মানুহে ক'লেও
বাঘে জানো কেতিয়াবা লৈছে মানি...

## অপৰাজিতা
(অপৰাজিতা বায়নৰ প্ৰতি)

মুকুতা ফুল ফুলিছিল
অপৰাজিতা

সেই মুকুতা মণিবোৰেৰে
সজা দলং
নতুন ফুলাম চেপেল
তাৰ ওপৰেদি খোজ কাঢ়ি ফুৰে
মোৰ বিষণ্ণতা

দলঙৰ ওপৰৰপৰা
তোমাক বেছিকৈ দেখি
গুৱাহাটীৰপৰা উত্তৰ গুৱাহাটী
ৰজাদুৱাৰত প্ৰথম ষ্টপ

কাগজৰ জুই নুমাল এতিয়া
শাঁত পৰিল শীত
এই যাত্ৰালৈ তেনে ৰক্ষা !

সুগন্ধি জুইত জাহ যায়
মনবৰ কাইৰ স্মৃতি



অলপ পিছতে দলঙৰ
ওপৰেদি পাৰ হৈ যাব
এখন নেন' গাড়ী
শিঙা বজাই আছে

দলঙৰ ওপৰেদি আমদানি
কাৰ সৌভাগ্য ফেঁচা
নিউ নিউ মাত

অকালপক্ব,
ইমান নিখুঁতভাৱে শুবলৈ
ক'ত শিকিলা

পৰাজিতা নে
অপৰাজিতা

## জহনিযোৱা প্ৰেম
(আঢ়ৈটা অমৰ আখৰৰ প্ৰতি)

চৰাই-লঘু উৰণ
দৌল গতি

আটাইতকৈ ওখ গছজোপাই
চাই আছে
দুজাক ভেঁকুলীৰ একেটাই জাঁপ

হাত পোনাওঁ দিন-ৰাতি
পদূলিৰ আগেৰে
কেতিয়া পাৰ হৈ যাব
ডাণ্টে অথবা দ্ৰোণাচাৰ্য্য

আখৰ দুটাৰ দুমূৰে বন্ধা ৰছী
ক'লা-বগা এৰি ছাইৰঙী
ষ্টেচু অব্ লিবাৰ্টী

টানি থোৱা ৰছী এডালৰ দৰে
বেচেৰা
জহনিযোৱা
প্ৰেম



## ভূতৰ ভৱিষ্যৎ

ইমান যে পোহৰ হ'ল
দিন গ'লে ৰাতি আহে কিন্তু এন্ধাৰ নাহে
তই ওলোৱাৰ তেন্তে অৱকাশ ক'ত

কাতিমহীয়া দিন এটাৰ দৰে তই টুটি আহিছ
টুটি আহিছে তোৰ ছায়াহীন অপছায়া
পকা দলি চপৰাৰে তই খেলি ফুৰা নিজান পথাৰখনত
এতিয়া চাইবাৰ বজাৰ বহে

মই জানো
তই মেটেকাৰ শিপাৰ চুলি পিন্ধি
ফুটুকলাৰ প্ৰসাধন কৰি ওলাবৰ বাবে বৈ আছ

তোৰ স'তে আছে তোৰ এন্ধাৰমূলীয়া বংশধৰ
যখিনী ডাকিনী জিগিনী যখ প্ৰেত কবন্ধ
আৰু মূৰত বগা পাগুৰি মৰা বুঢ়া ডাঙৰীয়া

তোৰ অশৰীৰী ছালৰ প্ৰসাধন শুকাই কৰাল মাৰিছে
ক'তো আৰু তোৰ নেমেলে আওপুৰণি নাট
ভয় আৰু আতংক গঢ়াৰ ঠিকা তালিবানীহঁতে পালে

তই ওলাবি নে নোলাবি—
তোৰো সেই একেই হেমলেটীয় দ্বন্দ্ব
ওলাব নোৱাৰিলে মানুহে তোক পাহৰি যাব
আৰু ওলায়ো কাকো খুৱাব নোৱাৰিলে ভয়
মিছাতে সকলোৰে হাঁহিয়াতৰ পাত্ৰ হ'বি
অথচ তই নোলালেও জীৱন আৰু এক তৰংগ দুখীয়া হ'ব
নুমাই যাব কল্পনাৰ এটি চাকি
অদৃশ্য হৈ যদি তই পোহৰৰ স'তে ফুৰিব পাৰ
নিজেই কৰিব পাৰিবি তোৰ পুনৰ্নিৰ্মাণ
সলাই পেলাব পাৰিবি তোৰ অসামাজিক মেটাফৰ মেটাবলি


পোহৰৰ মাজত তই কৰিব লাগিব ছিদ্ৰৰ সন্ধান
নহ'লে তই ওলোৱাৰ বাবেই মানুহে কিয় কৰিব অমানিশাৰ আহ্বান
~ ~

অকলে

কবি বাঢ়েটোকা



ৰাজীৱ বৰুৱা



Purbayon
Publication
Guwahati | Assam | India
purbayonindia21@gmail.com
www.purbayonpublication.com

ISBN : 978-93-93881-88-5